# ভাষাতত্ত্ববিদ দেবানন্দ ভৰালি
# জন্ম-শতবাৰ্ষিকী উছৱ

●

মাৰ্চ ২৪ আৰু ২৫, ১৯৮৪

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট



জুন ১৮৮৩ — জুলাই ১৯৭২

**অসম সাহিত্য সভা**

> "যেনেকৈ ভাৰতৰ ভিন ভিন দেশত ভিন ভিন প্ৰাকৃত চলিছিল, কামৰূপতো সেই দৰে এটা ভিন্ন প্ৰাকৃত নিশ্চয় চলিছিল ; এই কথা ৭ম শতাব্দীৰ চীনা পৰিব্ৰাজক হিউৱেনচাঙে সমৰ্থন কৰি গৈছে। গতিকে প্ৰাকৃত যুগত কামৰূপত যিটো প্ৰাকৃত চলিছিল তাৰ পৰাই যে অসমীয়া ভাষা ওলাইছে সেইটো দেখা কথা।. হ'ব পাৰে, অসমত চলা প্ৰাকৃত আৰু মগধত চলা প্ৰাকৃতৰ ভিতৰত বহুত ঐক্য আছিল ; কিন্তু সেই দুয়োটা যে একেটা আছিল ; সেই বুলি ভাবিবলৈ বা ধৰি লবলৈ কোনো কাৰণ বা প্ৰমাণ নাই।"
>
> —দেবানন্দ ভৰালি।

## ভাষাতত্ত্ববিদ দেবানন্দ ভৰালি

অসম তথা ভাৰতবৰ্ষৰ ভাষাতত্ত্ববিদ্‌সকলৰ অগ্ৰণী দেবানন্দ ভৰালিয়ে জন্ম গ্ৰহণ কৰিছিল ১৮৮৩ খ্ৰীষ্টাব্দৰ জুন মাহত, শিৱসাগৰ নগৰত। দেবানন্দ ভৰালিৰ জন্মৰ দুমাহৰ আগতেই তেখেতৰ পিতৃ, ডিব্ৰুগড় হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক, 'প্ৰাকৃতিক ভূগোল' গ্ৰন্থৰ (১৮৭৭) প্ৰণেতা ঈশানন্দ ভৰালিয়ে কলেৰা ৰোগত আক্ৰান্ত হৈ অকালতে শেষ নিশ্বাস পেলোৱাৰ ফলত, পিতৃহীন দেবানন্দ তেওঁৰ ককাদেউতাক, শিৱসাগৰ ইংৰাজী হাইস্কুলৰ প্ৰথম এন্ট্ৰেন্স্‌সকলৰ (১৮৫০) অন্যতম আৰু পিছত শিৱসাগৰ কাছাৰীৰ হেড্‌ক্লাৰ্কৰূপে অৱসৰ গ্ৰহণ কৰোঁতা, পৰমানন্দ ভৰালিৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হয়। দেবানন্দই দহ মাহমান বয়সতে মাতৃ কেতেকী আইদেউকো হেৰুৱায়। ককাক আৰু আইতাকৰ পাখিৰ তলত ডাঙৰ হোৱা দেবানন্দই কৈশোৰতে ককাক পৰমানন্দকো হেৰুৱায় যদিও হিতাকাংক্ষীসকলৰ সহায়-সহযোগত শিক্ষা গ্ৰহণ কৰি ১৯০০ খ্ৰীষ্টাব্দত এন্ট্ৰেন্স্ পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ১৯০৪ খ্ৰীষ্টাব্দত বি এ. উপাধি লাভ কৰে। তেওঁ কলিকতাত বি.এল. পঢ়িবলৈ লৈছিল যদিও, চৰকাৰে ছাব্-ডেপুটি কালেক্টৰৰ পদ যচাত আৰু পাৰিবাৰিক সমস্যাও বাঢ়ি অহাত পঢ়া এৰি ১৯০৬ খ্ৰীষ্টাব্দত কামত সোমায়। সেই বছৰতে গোলাঘাটৰ স্বৰ্গীয় গুৰুপ্ৰসাদ দুৱৰা তহচিলদাৰৰ একমাত্ৰ কন্যা কাঞ্চনলতা আইদেউৰ লগত তেওঁৰ বিবাহ সম্পাদিত হয়। বিছ বছৰ কাল চাকৰি কৰিয়েই তেখেতে অৱসৰ গ্ৰহণ কৰি, যোৰহাটত ঘৰ-দুৱাৰ সাজি নিগাজীকৈ থাকিবলৈ লয়।



প্ৰখৰ ধী-শক্তিসম্পন্ন, গভীৰভাৱে ঈশ্বৰ-বিশ্বাসী অথচ ধৰ্মৰ ক্ষেত্ৰত উদাৰ, সমদৰ্শী, আত্মনিৰ্ভৰশীল, নৈৰাশ্যবিহীন চিত্তৰ অধিকাৰী আৰু সকলোৰে প্ৰতি সহানুভূতিশীল দেবানন্দ ভৰালি আছিল সাহিত্য, সংগীত আৰু খেল-ধেমালিৰ প্ৰতিও অনুৰক্ত। সাধাৰণভাৱে সুন্দৰ স্বাস্থ্যৰ অধিকাৰী ভৰালিৰ ডেকাকালত চখ আছিল ঘোঁৰাত উঠা আৰু গাঁতোনা। বন্দুক চলোৱাতো তেওঁ আছিল পাকৈত। এই একেজন মানুহে নিজেই হাৰমনিয়াম লৈ ৰবীন্দ্ৰ-সংগীত গাই আত্মমগ্ন হৈ পৰিছিল। আনহাতে মগ্ন হৈছিল ভাৰতীয় দৰ্শন আৰু অসমীয়া বৈষ্ণৱ সাহিত্য অধ্যয়নৰ লগত পাশ্চাত্য দৰ্শন আৰু অসমীয়া বিজ্ঞান-বিষয়ক গ্ৰন্থৰ অধ্যয়নতো। কিন্তু, এই সকলোবিলাক অধ্যয়ন আছিল যেন তেওঁৰ বৌদ্ধিক বৃত্তৰ পৰিধি-মুখি। ছাত্ৰাৱস্থাৰে পৰাই দেবানন্দ ভৰালি আছিল চিন্তাশীল আৰু অনুসন্ধিৎসু। তেওঁৰ এই অনুসন্ধিৎসাই বিচাৰি ল'লে অসমীয়া ভাষা আৰু ভাষাতত্ত্বৰ ক্ষেত্ৰ। চাকৰিত সোমোৱাৰ দুবছৰৰ পিছতে ১৯০৮ চনত প্ৰকাশ কৰিলে Assamese Grammar in English নামৰ প্ৰাথমিক ব্যাকৰণ পুথি। কিন্তু, ভৰালি ডাঙৰীয়াৰ জীৱনৰ শ্ৰেষ্ঠ কীৰ্তি হ'ল "অসমীয়া ভাষাৰ মৌলিক বিচাৰ" নামৰ ভাষাতত্ত্ব-বিষয়ক গ্ৰন্থখনি। ১৯১২ খ্ৰীষ্টাব্দত প্ৰকাশিত এই গ্ৰন্থখনি অসমীয়া ভাষা-বিজ্ঞানৰে প্ৰথম পুথি নহয়, ভাৰতীয় ভাষা-বিজ্ঞানৰো প্ৰথম পুথি। ১৯১৮ খ্ৰীষ্টাব্দত প্ৰকাশিত পি.ডি. গুণেৰ An Introduction to Comparative Philology, ১৯২৬ খ্ৰীষ্টাব্দত প্ৰকাশিত সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ The Origin and Development of the Bengali Language, ১৯২৭ খ্ৰীষ্টাব্দত প্ৰকাশিত জি. এ. গ্ৰিয়াৰছনৰ Linguistic Survey of India আৰু ১৯৩১ খ্ৰীষ্টাব্দত প্ৰকাশিত তাৰাপুৰৱালাৰ Elements of the Science of Language আদি গ্ৰন্থৰ আগতেই, ভাষা-বিজ্ঞানৰ চৰ্চা নথকা তেতিয়াৰ অসমৰ ৩০ বছৰীয়া এজন ডেকাই এনে এখন পুথি ৰচনা কৰি উলিওৱাটো এটি উল্লেখযোগ্য ঘটনা। সাহিত্যৰথী বেজবৰুৱাই সঠিকভাৱেই ইয়াক 'যুগমীয়া কিতাপ' বুলি অভিহিত কৰিছিল। ১৯৫৯ খ্ৰীষ্টাব্দত প্ৰকাশিত তেওঁৰ A Study of Phonology & Vocabulary of the Assamese Language এই বিষয়ৰ দ্বিতীয়খন উল্লেখযোগ্য গ্ৰন্থ। স্বৰ্গীয় ভৰালিৰ ভাষাতত্ত্ব অধ্যয়নৰ আন এটি কীৰ্তি হ'ল ১৯৩২ খ্ৰীষ্টাব্দত প্ৰকাশিত "চন্দ্ৰকান্ত অভিধান"ৰ সু-বিস্তৃত পাতনিখনি। ভাষাতত্ত্ব চৰ্চাৰ কৰ্মই স্বৰ্গীয় দেবানন্দ ভৰালিক অসমীয়া ভাষা-অধ্যয়নৰ ইতিহাসত স্মৰণীয় কৰি ৰাখিব।

ভাষাতত্ত্ববিদ্ দেবানন্দ ভৰালিয়ে ৰচনা কৰি-যোৱা অন্যান্য গ্ৰন্থৰ ভিতৰত পুৰণি পদ-পুথিৰ আহিত দাৰ্শনিক আৰু বৈজ্ঞানিক তথ্যক লৈ ৰচনা কৰা "আদি পুৰাণ" (১৯২৯), শ্ৰীশংকৰদেৱৰ জীৱনক লৈ লিখা নাটক "শ্ৰীমন্ত শংকৰ" (১৯৪৫), Shakespeare ৰ

Macbeth নাটকৰ অমিত্ৰাক্ষৰ ছন্দত কৰা অসমীয়া ভাঙনি "ভীম-দৰ্প" (১৯১৬) আৰু ১৯৭২ খ্ৰীষ্টাব্দত প্ৰকাশিত "চীনা লুইতৰ পাৰে পাৰে" নামৰ উপন্যাসখনি উল্লেখযোগ্য। ইয়াৰ উপৰিও স্বৰ্গীয় পদ্মনাথ গোহাঞিবৰুৱা-সম্পাদিত "উষা-কাকত"ত লিখা প্ৰবন্ধ আৰু 'মিৰি' ছদ্মনামেৰে লিখা কবিতা-কেইটিৰো মূল্য অনস্বীকাৰ্য। ডিব্ৰুগড়ৰপৰা প্ৰকাশিত "আলোচনী" কাকতত লিখা তেখেতৰ কবিতা আৰু বিহু-সম্পৰ্কীয় নতুন চিন্তামূলক প্ৰবন্ধয়ো অনেকৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ভৰালি ডাঙৰীয়াই ব্যংগ ৰচনাতো হাত দিছিল। The Assam Tribune কাকতত প্ৰকাশিত All Assam Alphabetcs' Association এই প্ৰসংগত উল্লেখযোগ্য। "সামাজিক আদালত", "বিহু নাটিকা" আদি ৰচনাৰ কথাও স্মৰণীয়।

উল্লেখযোগ্য "অসম সাহিত্য সভা পত্ৰিকা"ৰ চতুৰ্থ বছৰৰ সম্পাদনাৰ দায়িত্বও ভৰালি ডাঙৰীয়াই বহন কৰিছিল। অসম সাহিত্য সভাই এই সৰাকী সাহিত্যিক আৰু ভাষাতত্ত্ববিদ্ পণ্ডিতক ১৯৬৫ খ্ৰীষ্টাব্দত (১৪ কাতি, ১৮৮৭ শক) সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত আয়োজিত এটি বিশেষ অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰে। দৰাচলতে যিসকল ব্যক্তিক সভাৰ সভাপতি পদৰ সৰ্বোচ্চ সন্মান দিয়াৰ বাবে সভাই সুযোগ পোৱা নাছিল, প্ৰধানতঃ সেইসকল ব্যক্তিকে এনেভাৱে বিশেষ অনুষ্ঠানত সন্মান জনোৱা হৈছিল। ভাষাতত্ত্ববিদ্ ভৰালি ডাঙৰীয়াক সভাই এনে সন্মান যাচি গৌৰৱবোধ কৰিছিল।

১৯৭২ খ্ৰীষ্টাব্দৰ জুলাই মাহৰ ৭ তাৰিখে শেষ নিশ্বাস ত্যাগ কৰা স্বৰ্গীয় দেবানন্দ ভৰালিৰ জন্মৰ শতবৰ্ষ পূৰ্ণ হয় ১৯৮৩ খ্ৰীষ্টাব্দৰ জুন মাহত। ১৯৮৪ খ্ৰীষ্টাব্দৰ জুন মাহলৈকে চলি থকা শতবৰ্ষ পূৰ্ণৰ বছৰটিৰ ভিতৰত অসম সাহিত্য সভাই দুদিনীয়া কাৰ্য-সূচীৰে ২৪ আৰু ২৫ মাৰ্চ, ১৯৮৪ খ্ৰীষ্টাব্দ তাৰিখে আয়োজিত শতবাৰ্ষিকী উছৱত স্বৰ্গীয় দেবানন্দ ভৰালিক শ্ৰদ্ধাৰে সুঁৱৰিবৰ সুযোগ উলিয়াই লৈছে। ভাষাতত্ত্ববিদ্ পণ্ডিত সৰাকীৰ স্মৃতিত "প্ৰত্ন অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ" শীৰ্ষক ভাষাতত্ত্ব-বিষয়ক এলানি বক্তৃতাৰ আয়োজন কৰা হৈছে।

স্বৰ্গীয় দেবানন্দ ভৰালিৰ নশ্বৰ শৰীৰ আমাৰ মাজত নাই ; কিন্তু তেওঁৰ বৌদ্ধিক অস্তিত্ব আমাৰ মাজত সজীৱ হৈ আছে আৰু থাকিব। সেইবাবে, অসম সাহিত্য সভাই ১৯৬৫ খ্ৰীষ্টাব্দত তেখেতক সম্বৰ্ধনা জ্ঞাপন কৰোঁতে যি ফাকি শ্লোকেৰে সভাৰ সন্মান প্ৰকাশ কৰিছিল, আজি শতবৰ্ষ পূৰ্ণ হোৱাৰ উপলক্ষ্যেও সেই একে ফাকি শ্লোকেৰে এই পণ্ডিত সৰাকীৰ সোঁৱৰণত আমি শ্ৰদ্ধা জনাওঁ।

ভাষাতত্ত্ব-বিচাৰ-মন্দিৰে বহু কৃতং সুকাৰ্যং ত্বয়া।
দেবানন্দ ততো সাহিত্যসভায়াঃ শ্ৰদ্ধাৰ্পিতা বৈ ময়া ॥